Ajit Kumar Sarma
M.A.
Principal I/C & Secretary
Contact No. 6001024029
E-mail : ajitkrsarma123@gmail.com

Office of the Principal
BARBHAG COLLEGE
Kalag : Nalbari : Assam
Ph. No. 03624-283417

MEMO NO. ..... Date:.....

জাননী

তাৰিখ: ২৭-১০-২০২৬

ইয়াৰ দ্বাৰা বৰভাগ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক জনোৱা যায় যে, আজি ইং ২৭-১০-২০২৬ তাৰিখে ২০২৬-২৭ শিক্ষাবর্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ অধিসূচনা জাৰি কৰা হৈছে। সেয়েহে, নিৰ্বাচনী বিধি অনুসৰি মহাবিদ্যালয়ৰ চৌপাশৰ ১০০ মিটাৰ ব্যাসার্ধৰ ভিতৰত কোনো ধৰণৰ নিৰ্বাচনী কার্যালয় স্থাপন কৰিব নোৱাৰিব। উক্ত নির্দেশনা উলংঘা কৰিলে নিৰ্বাচনী বিধি অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

সেয়েহে, সমূহ ছাত্ৰ-ছাত্ৰীক উক্ত নির্দেশনা কঠোৰভাৱে মানি চলিবলৈ নির্দেশ দিয়া হ'ল।

27/10/26
Principal I/c & Secretary
Barbhag College, Kalag
Nalbari (Assam)

BARBHAG COLLEGE
Date:-
Kalag Dist.- Nalbari, Pin-781351

নির্বাচনত প্রার্থীত্ব আগবঢ়াব বিচৰা প্রার্থীসকলৰ জ্ঞাতার্থে-

নির্বাচনৰ কিছুমান প্রয়োজনীয় নিয়মাৱলী তলত উল্লেখ কৰা হ'ল-

১/ যিকোনো প্রার্থীয়ে মহাবিদ্যালয় ছাত্র একতা সভাৰ যিকোনো দপ্তৰৰ বাবে মহাবিদ্যালয়ৰ ছাত্র বা ছাত্রী হৈ থকা অৱস্থাত এবাৰহে মাত্র প্রার্থী হ'ব পাৰিব। অৱশ্যে শ্রেণী প্রতিনিধিৰ পদত সর্ব্বোচ্চ দুবাৰ প্রার্থী হ'ব পাৰিব ।

২/ নির্বাচনত প্রার্থীত্ব আগবঢ়োৱা ছাত্র বা ছাত্রীৰ বয়স ১৬ ৰ পৰা ২২ বছৰ হ'ব লাগিব।

৩/ কোনো বর্ষত (Arrear বা Drop) থকা ছাত্র ছাত্রীয়ে নির্বাচনত প্রার্থী হ'ব নোৱাৰিব ।

৪/ মহাবিদ্যালয়ৰ নিয়মিত মাছুল আদায় নিদিয়া বা পুথিভড়ালৰ কিতাপ পত্র সময়ত জমা নিদিয়া ছাত্র ছাত্রীয়ে নির্বাচনৰ প্রার্থী হ'ব নোৱাৰিব ।

৫/ নিয়মীয়া (Regular) ছাত্র - ছাত্রীয়েহে নির্বাচনৰ প্রার্থী হ'ব পাৰিব ।

৬/ নির্বাচনৰ কোনো প্রার্থীৰ অপৰাধমূলক গোচৰ থাকিব নোৱাৰিব । লগতে, মহাবিদ্যালয় কর্তৃপক্ষই অনুশাসনমূলক ব্যৱস্থা গ্রহণ কৰা কোনো ছাত্র ছাত্রীয়ে নির্বাচনত প্রার্থী হব নোৱাৰিব।

৭/ নির্বাচনৰ প্রার্থীত্ব আগবঢ়াবৰ বাবে এজন ছাত্র/ছাত্রীৰ শ্রেণীৰ উপস্থিতি ৭৫% হোৱাটো বাধ্যতামূলক (সর্ব্বোচ্চ উপস্থিতি থকা প্রধান বিষয়টো (Core) বিবেচনা কৰা হ'ব।)।

৮/ নির্বাচনত প্রতিদ্বন্দ্বিতা কৰিব বিচৰা ছাত্র ছাত্রীয়ে ১০০/- (এশ) টকা জমা দি অধ্যক্ষৰ কার্য্যালয়ৰ পৰা মনোনয়ন পত্র সংগ্রহ কৰিব পাৰিব।

৯/ মনোনয়ন পত্র জমা দিওতে ছাত্র/ছাত্রী গৰাকীয়ে তলত উল্লেখ কৰা নথি-পত্রসমূহ মনোনয়ন পত্রৰ লগত দাখিল কৰিব লাগিব-

ক) মহাবিদ্যালয়ৰ পৰিচয় পত্র/ নামভর্ত্তি বচিদ ।

খ) বয়সৰ প্রমান পত্র (HSLC Admit Card/PAN Card/ Aadhar Card)

গ) Library Clearance Certificate (মহাবিদ্যালয়ৰ গ্রন্থাগাৰিকৰ পৰা)

ঘ) নামভর্ত্তিৰ বচিদৰ প্রতিলিপি ।

ঙ) বিগত পৰীক্ষাৰ নম্বৰৰ তালিকা (নিজৰ স্বাক্ষৰ দিব লাগিব)

চ) বিভাগীয় মুৰব্বীৰ পৰা নিজৰ আৰু প্রস্তাৰকৰ তথা সমর্থকৰ শ্রেণীৰ উপস্থিতিৰ প্রমান পত্র (সর্ব্বোচ্চ উপস্থিতি থকা প্রধান বিষয়টো (Core) বিবেচনা কৰা হ'ব।)।

ছ) নির্বাচনী চুক্তিপত্র

জ) অভিভাৱকৰ সম্মতি পত্র

১০/ মনোনয়ন পত্র দাখিল কৰাৰ সময়ত প্রতিগৰাকী প্রার্থীয়ে মুঠ ৫০০/- (পাচশ) টকা আদায় দিব লাগিব । (এই ধন কোনো পৰস্থিতিতে ঘুৰাই দিয়া নহ'ব)

১১/ ভোট গ্রহণৰ দিনা প্রত্যেকজন ছাত্র ছাত্রীয়ে মহাবিদ্যালয়ৰ Uniform পৰিধান কৰাটো বাধ্যতামূলক ।

১২/ ভোট গ্রহণৰ সময়ত প্রত্যেক ছাত্র - ছাত্রীৰ লগত মহাবিদ্যালয়ৰ পৰিচয় পত্র / নামভর্ত্তিৰ বচিদ থকাটো বাধ্যতামূলক ।

১৩/ প্রার্থীসকলে কোনো ধৰনৰ আনুষ্ঠানিক নির্বাচনী প্রচাৰ সভা/মঞ্চপ্রচাৰ (Stage Campaign) অনুষ্ঠিত কৰিব নোৱাৰিব বা তেনে কোনো অনুষ্ঠানত অংশগ্রহন কৰিব নোৱাৰিব।

১৪/ যদি কোনো এটা পদৰ বাবে নির্বাচনী বিধি অনুসৰি যোগ্য প্রার্থীৰ পৰা বৈধ মনোনয়ন পত্র পোৱা নাযায় তেনে ক্ষেত্রত নির্বাচনৰ ফলাফল ঘোষনাৰ পৰা ৩০ দিনৰ ভিতৰত নির্বাচন আয়োগে নির্বাচন বিধি অনুসৰি যোগ্য এগৰাকী ছাত্র/ছাত্রীক উক্ত পদত মনোনীত কৰিব।

১৫/ মনোনয়ন পত্র দাখিল কৰাৰ সময়ত প্রার্থীৰ সৈতে প্রস্তাৱক আৰু সমর্থককহে মনোনয়ন পত্র গ্রহণ কৰাৰ নির্ধাৰিত কোঠাৰ ভিতৰত প্রৱেশ কৰিব পাৰিব।

১৬/ প্রার্থীয়ে মনোনয়ন পত্র সর্বাধিক তিনিখন ল'ব পাৰিব। উল্লেখ থাকে যে মনোনয়ন পত্র সংগ্রহ কৰোঁতে যিটো ক্রমিক নম্বৰ থাকিব, সেই ক্রমিক নম্বৰৰ মনোনয়ন পত্রহে জমা কৰিব লাগিব।এজন প্রার্থীয়ে এটাতকৈ অধিক পদৰীত প্রতিদ্বন্দ্বিতা আগবঢ়াব নোৱাৰিব।

27/10/26
Returning Officer
...dents' Union Election
...rbhag College, Kalag

BARBHAG COLLEGE
Date:-
Kalag, Dist. - Kokrajhar, Pin-783351

নিৰ্বাচনী জাননী

২৭-১০-২০২৬ ইং

ইয়াৰ দ্বাৰা বৰভাগ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক, অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকলক জনোৱা হয় যে ২০২৬-২৭ ইং শিক্ষা বৰ্ষৰ বাবে মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচন অহা ৬/১১/২০২৬ ইং তাৰিখে অনুষ্ঠিত হ'ব। উক্ত নিৰ্বাচনৰ বাবে নিম্নলিখিত দপ্তৰ সমূহৰ বাবে ইচ্ছুক প্ৰাথীৰ পৰা মনোনয়ন পত্ৰ বিচৰা হৈছে-

দপ্তৰ সমূহ:-

১/ সভাপতি :- ৫ম ষান্মাসিক, স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীৰ পৰা।

২/ উপ-সভাপতি :- ৫ম ষান্মাসিক, স্নাতক মহলাৰ ছাত্ৰীৰ পৰা। (ছাত্ৰীৰ বাবে সংৰক্ষিত)

৩/ সাধাৰণ সম্পাদক :- ১ম আৰু ৩য় ষান্মাসিক, স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীৰ পৰা ।

৪/ সহকাৰী সাধাৰণ সম্পাদক :- ১ম বাৰ্ষিক উ:মা: শ্ৰেণীৰ পৰা, ১ম আৰু ৩য় ষান্মাসিক স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীৰ পৰা।

৫/ সম্পাদক, খেলবিভাগ :- ১ম আৰু ৩য় ষান্মাসিক,স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীৰ পৰা ।

৬/ সহকাৰী সম্পাদক,খেলবিভাগ :- ১ম বাৰ্ষিক উ:মা: শ্ৰেণীৰ পৰা, ১ম আৰু ৩য় ষান্মাসিক স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীৰ পৰা ।

৭/ সম্পাদক , সুকুমাৰ ক'লা আৰু সাংস্কৃতিক বিভাগ :- ১ম আৰু ৩য় ষান্মাসিক, স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীৰ পৰা ।

৮/ সম্পাদক,মহাবিদ্যালয় আলোচনী :- ১ম আৰু ৩য় ষান্মাসিক, স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীৰপৰা ।

৯/ সম্পাদক, তৰ্ক বিভাগ :- ১ম আৰু ৩য় ষান্মাসিক, স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীৰ পৰা ।

১০/ সম্পাদক,সমাজসেৱা :- ১ম আৰু ৩য় ষান্মাসিক, স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীৰ পৰা ।

১১/ সম্পাদক, ছাত্ৰ জিৰণী কোঠা :- ১ম আৰু ৩য় ষান্মাসিক, স্নাতক মহলাৰ ছাত্ৰৰ পৰা ।

১২/ সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা :- ১ম আৰু ৩য় ষান্মাসিক, স্নাতক মহলাৰ ছাত্ৰীৰ পৰা ।

নিৰ্বাচনৰ সবিশেষ সময়সূচী তলত উল্লেখ কৰা ধৰণে অনুষ্ঠিত হ'ব।

Babita 27/10/2026

বৰভাগ মহাবিদ্যালয় ছাত্ৰ একতা সভা

নিৰ্বাচন আয়োগ

Returning Officer
Students' Union Election
Barbhag College, Kalag



BARBHAG COLLEGE
Date:-
Kalag, Dist.- Nalbari, Pin-781351

নিৰ্বাচন সংক্ৰান্তীয় সকলো তাৰিখ বিতংভাৱে তলত উল্লেখ কৰা হ'ল-

১/ নিৰ্বাচনী অধিসূচনা জাৰি :- ২৭/১০/২০২৬ ইং (দুপৰীয়া ১২.০০ বজাত)

২/ মনোনয়ন পত্ৰ সংগ্ৰহ কৰাৰ তাৰিখ আৰু সময় :- ২৮/১০/২০২৬ ইং (ৰাতিপুৱা ১১:৩০ বজাৰ পৰা)
২৯/১০/২০২৬ ইং তাৰিখ (আবেলি ৩:০০ বজালৈ)

৩/ মনোনয়ন পত্ৰ জমা দিয়া তাৰিখ আৰু সময় :- ২৯/১০/২০২৬ ইং তাৰিখ (দিনৰ ১১.০০ বজাৰ পৰা)
৩০/১০/২০২৬ ইং তাৰিখ (আবেলি ৩.০০ বজালৈ)

৪/মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ তাৰিখ আৰু সময়:- ৩১/১০/২০২৬ ইং তাৰিখ (আবেলি৩.০০বজালৈ)

৫/মনোনয়ন পত্ৰ পৰীক্ষা কৰা তাৰিখ আৰু সময়:- ২/১১/২০২৬ ইং তাৰিখ (দিনৰ১১.০০ বজাত)

৬/ প্ৰাৰ্থীৰ চুড়ান্ত তালিকা ঘোষনা :- ২/১১/২০২৬ ইং তাৰিখ (দিনৰ ২:০০ বজাত)

৭/ নিৰ্বাচনীপ্ৰচাৰৰ সময় :- ৩/১১/২০২৬ ইং তাৰিখ ১২:০০ বজাৰ পৰা
৪/১১/২০২৬ ইং তাৰিখ (আবেলি ৩:০০ বজালৈ)

৮/ ভোটগ্ৰহণ :- ৬/১১/২০২৬ ইং তাৰিখ
(ৰাতিপুৱা ৮:০০ বজাৰ পৰা দিনৰ ১:০০ বজালৈ)

৯/ ভোট গণনা :- ৬/১১/২০২৬ ইং তাৰিখ (দিনৰ ২:০০ বজাৰ পৰা)

১০/ নিৰ্বাচনী ভোটাৰ তালিকাৰ খচৰা জাৰি কৰাৰ তাৰিখ আৰু সময় :- ৩১/১০/২০২৬ (দিনৰ ১১:০০ বজাত)

১১/ ভোটাৰ তালিকা সম্পৰ্কে ছাত্ৰ ছাত্ৰীৰ আপত্তি/অভিযোগ গ্ৰহণ কৰাৰ তাৰিখ :- ২/১১/২০২৬ ইং তাৰিখ দিনৰ ১১.০০ বজাৰ পৰা ৩/১১/২০২৬ ইং তাৰিখলৈ (দিনৰ ১১.০০ বজাৰ পৰা ৩.০০ বজালৈ)

১২/ চূড়ান্ত নিৰ্বাচনী ভোটাৰ তালিকা জাৰি কৰাৰ তাৰিখ :- ৫/১১/২০২৬ (দিনৰ ১২.০০ বজাত)

(ওপৰত উল্লেখিত সময়সূচী মহাবিদ্যালয় কাৰ্য্যালয়ৰ ঘড়ীৰ সময় অনুসৰি প্ৰযোজ্য হব।)

বি.দ্ৰ : মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ সময়ত পৰীক্ষা কৰা কোঠাত কোনো ছাত্ৰ ছাত্ৰী উপস্থিত থাকিব নোৱাৰিব।

* নিৰ্বাচনৰ নীতি-নিয়ম সম্পৰ্কে অধিক জানিবৰ বাবে মহাবিদ্যালয়ৰ ৱেবচাইট - www.barbhagcollege.ac.in ত নিৰ্বাচনী বিধি (Barbhag College Students' Union Election Rules.2022) উপলব্ধ থাকিব ।

27/10/2026

(ড° বিপুল কলিতা)
ৰিটাৰ্ণিঙ বিষয়া
Returning Officer
...ents' Union Election
...rbhag College, Kalag